আদৰৰ নিমন্ত্ৰণ



## ৰহদৈ কবি মঞ্চ
ৰহা ঃঃ নগাঁও (অসম)

প্ৰতি..........................................................................
ড° ৰাজশ্ৰী বৰা হাজৰিকা,
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ, ৰহা মহাবিদ্যালয়

ফাগুনৰ
সম্ভাষণেৰে...

নিবেদন !

ৰহদৈ কবি মঞ্চৰ সেৱা গ্ৰহণ কৰিব।

আপোনাক জনাবলৈ পাই সুখী হৈছোঁ যে ৰহদৈ কবি মঞ্চৰ সভাপতি তথা শিক্ষাবিদ-গল্পকাৰ-কবি-নাট্যকাৰ অভিনেতা-হাস্যব্যঙ্গলেখক-সমালোচক শ্ৰীকৃষ্ণ মোহন শৰ্মাদেৱৰ ওপজা দিন উপলক্ষ্যে আমি ৰহদৈ কবি আৰু তেখেতৰ পৰিয়ালবৰ্গই যুটীয়াভাৱে তেখেতক ৫ মাৰ্চ, ২০১৭ ৰবিবাৰে ওপজা দিনৰ ওলগ জনে উদ্দেশ্যে বক্তৃতানুষ্ঠান, কাব্যধ্বনি আৰু অন্তৰঙ্গ আলাপ অনুষ্ঠানৰ দিহা কৰিছোঁ। তদুপলক্ষ্যে সেইদিনা দি বজাৰপৰা ৰহা বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰত আৰম্ভ হ'ব লগা অনুষ্ঠানতে অলপতে ঘোষিত সন্মানীয় ডক্টৰে এইচ.ডি.) ডিগ্ৰী লাভ কৰোঁতা তথা এগৰাকী কৃতী শিক্ষয়িত্ৰী হিচাপে আপোনাক আনুষ্ঠানিকভাৱে সম্বৰ্দ্ধনা কৰিবৰ বাবে আপোনাক কৰযোৰে আমন্ত্ৰণ জনালোঁ আৰু কাৰ্য-ক্ৰমণিকাৰ সৰ্বতোপ্ৰকাৰৰ সাফল্যৰ আপোনাৰ লগতে আপোনাৰ পৰিয়ালৰ সকলোটিলৈকে নিমন্ত্ৰণৰ শৰাই আগবঢ়ালোঁ।

পুনৰ শ্ৰদ্ধাৰে—

ৰহদৈ কবি মঞ্চৰ হৈ,
শ্ৰীতপন কুমাৰ হাজৰিকা
সম্পাদক

পৰিয়ালৰ হৈ,
শ্ৰীঅচ্যুত প্ৰৱৰ শৰ্মা

যোগৰ বাবে— ৯৮৫৯১ ৮০৫৭২, ৯৮৬৪১ ৬২০৪৩, ৮৩৯৯৯ ৩০৮১২

---

## ৰহদৈ কবি মঞ্চ
ৰহা ঃঃ নগাঁও (অসম)

শিক্ষাবিদ-গল্পকাৰ-কবি-নাট্যকাৰ-অভিনেতা-হাস্যব্যঙ্গলেখক-সমালোচক,
ৰহদৈ কবি মঞ্চৰ সভাপতি কৃষ্ণ মোহন শৰ্মাৰ ৮৪ সংখ্যক ওপজা দিন উপলক্ষ্যে
আয়োজিত দ্বিতীয় বাৰ্ষিক বক্তৃতানুষ্ঠান আৰু কাব্যধ্বনি অনুষ্ঠানত

আদৰ্শ শিক্ষাব্ৰতী, বিশিষ্টা গৱেষিকা

## ড° ৰাজশ্ৰী বৰা হাজৰিকালৈ

## সম্বৰ্ধনা-অৰ্ঘ্য

শ্ৰদ্ধাস্পদেষু !

জয়জয়তে আপোনালৈ ৰহদৈ কবি মঞ্চৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। সম্ভাৱনাৰ চকুৰে মণিত কৰ্মজীৱনৰ অবিহণাই ফুলাম ৰূপ পালেই লহপহীয়া হয় জীৱনৰ ছন্দ। বৰ্ণিল জীৱনৰ পদূলিত উজ্জ্বল হালধীয়া সূৰ্যমুখী ফুল ভগমগকৈ জিলিকাবলৈ সেই ছন্দই দিয়ে শীতল খোজ। প্ৰতিটো খোজত স্পষ্ট হয় ঐকান্তিক সাধনা, গভীৰ আত্মবিশ্বাস তথা মননশীল বিশেষণৰ প্ৰকৃত চাপ। সেই গৰাকীয়েই আপুনি, মনৰ দিগন্ত মুখৰিত কৰিব খোজা এক অবিৰত যাত্ৰাৰে সাধনা তথা উপাসনাৰে জ্যোতিষ্মান হোৱাৰ গভীৰ জিজ্ঞাসাৰে জীৱন-দুৰ্গ নিৰ্মাণ কৰাৰ সাক্ষী আপুনি। বিশেষতঃ জ্ঞানপিপাসু শিক্ষাব্ৰতী হিচাপে অনুসন্ধিৎসাৰ ক্ষুধাৰে পৰিতৃপ্ত হোৱাৰ অক্লান্ত, উদ্যমী এটা প্ৰাণ আপোনাৰ জীৱনৰ শ্ৰেষ্ঠ অলংকাৰ।

হে শিক্ষাব্ৰতী !

গভীৰ জিজ্ঞাসাৰে জ্ঞানমন্দিৰৰ ৰূপদেউল সাজি উদ্ভাৱনাময়তাৰ অনিৰুদ্ধ ৰূপান্তৰ মনৰ মুঠিত খামুচি লোৱাৰ দুৰ্বাৰ হেঁপাহ লৈ জ্ঞান-শিক্ষা-সাধনাত নৱ-নৱোন্মেষশালিনী-শক্তিমন্ত্ৰত দীক্ষিতা হৈ আপুনি অতিক্ৰম কৰিছে এটা দীঘলীয়া বাট। সেই বাটেৰেই লৈ গৈছে আপোনাৰ মনৰ খোজবোৰ, জীৱনৰ খোজবোৰ। প্ৰতিটো খোজত জিলিকি উঠিছে আপোনাৰ প্ৰতিটো শিল্পাদৰ্শ, যি উত্তৰসূৰীৰ বাবে হৈ পৰিছে মহান আদৰ্শ। শেহতীয়াকৈ "মাধৱ কন্দলি আৰু কৃত্তিবাসী ৰামায়ণৰ বিষয়বস্তু ঃ এটি তুলনামূলক অধ্যয়ন"— শীৰ্ষক বিষয়ক গৱেষণাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে আপোনাক সন্মানীয় ডক্টৰেট (পি.এইচ.ডি.) ডিগ্ৰী প্ৰদান কৰিছে। উদ্ভাৱনাময়তাৰ মহাসপোনৰ জ্ঞানৰ জ্ঞানক্ষেত্ৰখনক চহকী কৰাৰ প্ৰয়াসেৰে আপোনাৰ এই বৰ্ণিল যাত্ৰাক লৈ আমি গৌৰবান্বিত। আপোনাৰ এই অভিনৱ চুম্বকীয় ব্যক্তিত্ব তথা প্ৰত্যুৎপন্নমতিতাৰ বাবে আপোনাক আমাৰ অন্তহীন শুভেচ্ছা। আজিৰ এই মাহেন্দ্ৰ ক্ষণত আপোনাৰ সুস্বাস্থ্য আৰু দীৰ্ঘ জীৱন কামনা কৰি সন্মান সহকাৰে ৰাজহুৱাভাৱে এই সম্বৰ্ধনা-অৰ্ঘ্য প্ৰদান কৰিবলৈ পাই আমি ধন্য মানিলোঁ। এই পৰমক্ষণত, পৰমপিতা জগদীশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাওঁ, আপুনি যেন সু-স্বাস্থ্যৰ অধিকাৰী হৈ অনাগত দিনবোৰতো ন ন উদ্ভাৱনাৰে সমৃদ্ধ কৰক আপোনাৰ অনুসন্ধিৎসাৰ যাত্ৰা। ইতি

গুণমুগ্ধসকলৰ হৈ

শ্ৰীকৃষ্ণ মোহন শৰ্মা, সভাপতি
ৰহদৈ কবি মঞ্চ, ৰহা

শ্ৰীতপন কুমাৰ হাজৰিকা, সম্পাদক
ৰহদৈ কবি মঞ্চ, ৰহা

দিনাংক ঃ ৫ মাৰ্চ, ২০১৭